**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-04-2026
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

***::::::::::::::::::::::::::::::::::::::::::::::::***

১। মহিলাৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা নিশ্চিত কৰাৰ বাবেই সংসদৰ বাজেট অধিবেশনৰ সময়সীমা বৃদ্ধি কৰা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে আজি পশ্চিমবংগৰ কোচবিহাৰত নিৰ্বাচনী সভাত ভাগ ল'ব।

২। পেট্ৰ'লিয়াম আৰু গেছ্ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে কয়, যে ভাৰতে ইৰাণকে ধৰি দুকুৰিৰো অধিক দেশৰ পৰা খাৰুৱা তেল আমদানি কৰি আহিছে আৰু তেল সংগ্ৰহৰ ক্ষেত্ৰত ধনৰ লেনদেনৰ সমস্যাৰ উদ্ভৱ হোৱা নাই।

৩। ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে খ্ৰীষ্টানসকলৰ পবিত্ৰ ইষ্টাৰ উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।
*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব।

০০০০

মহিলাৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা নিশ্চিত কৰাৰ বাবেই সংসদৰ বাজেট অধিবেশনৰ সময়সীমা বৃদ্ধি কৰা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰে। কেৰালাৰ তিৰুৱল্লাত আজি এখন নিৰ্বাচনী সভাত ভাষণ দি তেওঁ কয় যে লোকসভা আৰু ৰাজ্য বিধানসভাসমূহত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ উদ্দেশ্যে ২০২৩ চনত ৰূপায়িত আইনখন ২০২৯ চনৰ পৰা কাৰ্যকৰী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰাকৈ লোকসভাৰ বাজেট অধিবেশনৰ সময় ৩ দিনৰ বাবে বৃদ্ধি কৰা হৈছে। এই বিষয়টোৰ সৈতে সংগতি ৰাখি অহা ১৬ৰ পৰা ১৮ এপ্ৰিললৈ সদন পুনৰ মিলিত হ'ব বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পশ্চিমবংগৰ কোচবিহাৰত নিৰ্বাচনী সভাত ভাগ ল'ব। শ্ৰীমোদীয়ে কোচবিহাৰৰ ৰাসমেলা ময়দানত আয়োজিত সভাত কোচবিহাৰ জিলাৰ ৮ খন আৰু আলিপুৰ দুৱাৰৰ ৫ খন আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা বিজেপি সমৰ্থিত প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলাব।

০০০০

ভাৰতে ইৰাণকে ধৰি দুকুৰিৰো অধিক দেশৰ পৰা খাৰুৱা তেল আমদানি কৰি আহিছে বুলি উল্লেখ কৰি পেট্ৰ'লিয়াম আৰু গেছ্ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে কয়, যে ইৰাণৰ পৰা খাৰুৱা তেল সংগ্ৰহৰ ক্ষেত্ৰত ধনৰ লেনদেনৰ কোনো ধৰণৰ সমস্যাৰ উদ্ভৱ হোৱা নাই। সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰা এটা বাৰ্তাত এই সন্দৰ্ভত প্ৰচাৰিত এটা বাতৰিৰ সত্যতা অস্বীকাৰ কৰি তেওঁ এইদৰে কয়। ইৰাণৰ পৰা খাৰুৱা তেল কঢ়িয়াই ভাৰত অভিমুখে আহি থকা এখন জাহাজ ভাৰতে ধন আদায় নিদিয়া বাবে আদবাটৰ পৰা চীনৰ দিশে লৈ যোৱা বুলি

সামাজিক মাধ্যমত প্ৰচাৰিত বাতৰিটোৰ সত্যতা নুই কৰি শ্ৰীপুৰীয়ে এই কথা তথ্যৰ ওপৰত আধাৰিত নহয় বুলি মত প্ৰকাশ কৰে। পশ্চিম এছিয়াত শেহতীয়াকৈ উদ্ভৱ হোৱা যোগানৰ সমস্যাৰ মাজতো ভাৰতৰ শোধানাগাৰসমূহে ইৰাণকে ধৰি ভিন ভিন দেশৰ পৰা ইয়াৰ প্ৰয়োজনীয় খাৰুৱা তেল আহৰণ কৰিবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে সামগ্ৰী কঢ়িওৱা একোখন জাহাজে জলপথৰ অনুকুলতা অথবা বাণিজ্যিক কাৰণত কেতিয়াবা ইয়াৰ পথ সলনি কৰিব পাৰে। বিশেষকৈ বাণিজ্যিক দিশৰ পৰা বিবেচনা কৰি ভিন ভিন দেশৰ পৰা তেল আহৰণৰ বাবে তেল কোম্পানীসমূহে নিজাববীয়াকৈ  সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

দিল্লী আৰক্ষীৰ অপৰাধ শাখাই ৰাষ্ট্ৰীয় ৰাজধানীত চৰকাৰীভাৱে যোগান ধৰা ঔষধ আন ঠাইলৈ অবৈধভাৱে সৰবৰাহ কৰাৰ সৈতে জড়িত এটা অসাধু চক্ৰক উৎখাত কৰিছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, এখন চৰকাৰী চিকিৎসালয়ৰ কৰ্মচাৰী এজনকে ধৰি ৫ জন লোকক এই সন্দৰ্ভত গ্ৰেপ্তাৰ কৰা হৈছে। অভিযুক্ত লোককেইজনৰ পৰা আৰক্ষীয়ে প্ৰায় ৭০ লাখ টকা মূল্যৰ ঔষধ জব্দ কৰা বুলিও সূত্ৰটোৱে লগতে জানিবলৈ দিয়ে। দিল্লী আৰক্ষীয়ে প্ৰকাশ কৰা মতে ৰোগীৰ মাজত বিনামুলীয়াকৈ বিতৰণ কৰিবলগীয়া এনে দৰবসমূহ অবৈধভাৱে বিক্ৰী কৰাৰ উদ্দেশ্যে সৰবৰাহ কৰা হৈছিল।

০০০০

চাইপ্ৰাছত থকা ভাৰতৰ উচ্চায়ুক্ত মনীষে দেশখনৰ নিকোছিয়াত অৱস্থিত ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি নিকোচ খ্ৰীষ্টোদৌলাইডছ্‌ক সাক্ষাৎ কৰে। চাইপ্ৰাছত থকা ভাৰতীয় দূতাবাসে সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰা এটা বাৰ্তাত কয় যে তেওঁলোকৰ মাজৰ এই আলোচনাত চাইপ্ৰাছৰ ৰাষ্ট্ৰপতিগৰাকীৰ অহা মে' মাহৰ ভাৰত  ভ্ৰমণৰ প্ৰস্তুতিৰ বিষয়ে পৰ্যালোচনা কৰা হয়। তদুপৰি দেশ দুখনৰ মাজৰ বাণিজ্য, বিনিয়োগ, উদ্ভাৱন, আৰু যোগাযোগ আদিৰ দৰে বিষয়সমূহৰ ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতা অধিক বৃদ্ধি কৰাৰ প্ৰতি গুৰুত্ব আৰোপ কৰি ভাৰত-চাইপ্ৰাছ যুটীয়া কাৰ্য পৰিকল্পনাৰ বিষয়টোৱেও এই আলোচনাত স্থান লাভ কৰে। উল্লেখযোগ্য যে যোৱা বছৰ জুনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চাইপ্ৰাছ ভ্ৰমণ কৰাৰ সময়ত পাৰস্পৰিক সহযোগিতাৰ এই বিষয়সমূহে গতি লাভ কৰিছিল। তদুপৰি প্ৰতিৰক্ষা আৰু নিৰাপত্তা, নৱীকৰণযোগ্য শক্তি, ডিজিটেল সংস্কাৰ, বিত্ত প্ৰযুক্তি, সামুদ্ৰিক পথৰ সহযোগিতাৰ লগতে  শৈক্ষিক আৰু সাংস্কৃতিক কাৰ্যসূচীৰ জৰিয়তে জনসাধাৰণৰ মাজৰ সংযোগ বৃদ্ধিৰ দৰে বিষয়সমূহক লৈও উভয় পক্ষই আলোচনা কৰে বুলি সামাজিক মাধ্যমৰ বাৰ্তাটোত প্ৰকাশ পাইছে।

০০০০

বিশ্বজুৰি আজি খ্ৰীষ্টানসকলৰ পবিত্ৰ উৎসৱ ইষ্টাৰ উদযাপন কৰা হৈছে। খ্ৰীষ্টধৰ্মৰ প্ৰৱৰ্তক যীশুখ্ৰীষ্টই গুড ফ্ৰাইডেৰ দিনা মৃত্যুবৰণ কৰাৰ পাছত তেওঁৰ চেতনা লাভৰ লগত সংগতি ৰাখি এই উৎসৱ উদযাপন কৰা হয়। এই উপলক্ষে গীৰ্জাসমূহত বিশেষ প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হৈছে। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে পবিত্ৰ ইষ্টাৰ উপলক্ষে খ্ৰীষ্টান ধৰ্মাৱলম্বীসকলক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে কয়, যে এই পৱিত্ৰ দিনটোৱে মানুহক সত্য, প্ৰেম, দয়া, ত্যাগ আৰু ক্ষমাৰ মূল্যবোধক আঁকোৱালি ল'বলৈ উৎসাহিত কৰে।  তেওঁ লগতে উল্লেখ কৰে যে, ইষ্টাৰে মানুহক সম্প্ৰীতি, শান্তি আৰু ভ্ৰাতৃত্ববোধৰ প্ৰসাৰত সামূহিকভাৱে প্ৰচেষ্টা ৰাখিবলৈ অনুপ্ৰাণিত কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে সামাজিক মাধ্যমৰ বাৰ্তাত ইষ্টাৰে সকলোৱে জীৱনলৈ শান্তি, আনন্দ কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। এই দিনটোৱে সকলোৰে বাবে সমন্বয়ৰ বাৰ্তা আনিব বুলিও তেওঁ উল্লেখ কৰে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰাক্তন উপ প্ৰধানমন্ত্ৰী বাবু জগজীৱন ৰামৰ জন্মবাৰ্ষিকী উপলক্ষে তেওঁক স্মৰণ কৰে। সামাজিক মাধ্যমৰ বাৰ্তা যোগে শ্ৰীমোদীয়ে কয়, যে বাবু জগজীৱন ৰামে তেওঁৰ জীৱনটো সমতা আৰু সামাজিক ন্যায়ৰ বাবে উৎসৰ্গা কৰি গৈছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও জগজীৱন ৰামৰ জন্মবাৰ্ষিকীত তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছে। সামাজিক মাধ্যমৰ বাৰ্তা যোগে শ্ৰীশ্বাহে  প্ৰাক্তন উপ প্ৰধানমন্ত্ৰীগৰাকীৰ অৱদান দেশৰাসীয়ে সদায় মনত ৰাখিব বুলি উল্লেখ কৰে।

0000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। হায়দৰাবাদত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, ৰাজস্থান ৰয়েলছে যোৱা নিশা আহমেদাবাদত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ খেলত গুজৰাট টাইটানছক ৬ ৰানত পৰাস্ত কৰে। গুজৰাট টাইটানছে ২১১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকটে হেৰুৱাই ২০৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। গুজৰাটৰ হৈ ছাই সুদৰ্শনে ৭৩ ৰান কৰে যদিও খেলুৱৈগৰাকীৰ চেষ্টা অথলে যায়।  খেলখনৰ অন্তিম অভাৰত গুজৰাট টাইটানছক জয়ৰ বাবে ১১ ৰানৰ প্ৰয়োজন আছিল যদিও তুষাৰ দেশপাণ্ডেই সুন্দৰ বলিঙেৰে প্ৰতিপক্ষক ৪ ৰানহে সংগ্ৰহ কৰিবলৈ দিয়ে আৰু ৰাছিদ খানৰ উইকেটো দখল কৰে। ৰাজস্থান ৰয়েলছৰ হৈ ৰবি বিষ্ণ'ই ৪টা উইকেট দখল কৰে। ৰবি বিষ্ণ'ইক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ২১০ ৰান কৰে। ৰাজস্থানৰ হৈ ধ্ৰুৱ জুৰেলে সৰ্বাধিক ৭৫ ৰান কৰে। যশস্বী জয়ছোৱালে ৫৫ আৰু বৈভৱ সূৰ্যবংশীয়ে ৩১ ৰানৰ বৰঙণি আগবঢ়ায়। গুজৰাটৰ হৈ কাগিছো ৰাবাদাই দুটা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত ডেলহি কেপিটেলছে মুম্বাই ইণ্ডিয়ানছক ৬ উইকেটত পৰাভূত কৰে। ডেলহি কেপিটেলছে ১৬৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি সমীৰ ৰিজৱীৰ আকৰ্ষণীয় ৯০ ৰানৰ সহায়ত ১৮ অভাৰ আৰু এটা বলত ৪টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। ইয়াৰ আগেয়ে মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৬২ ৰান কৰে।

00000

ভাৰতীয় এথলেটিকছ শৃংখলা ২০২৬ত মুৰালী শ্ৰীশংকৰে পুৰুষৰ লং জাম্পত জয়েৰে অভিযান আৰম্ভ কৰিছে। বেংগালুৰুৰ শ্ৰীকান্তিৰাৱা ষ্টেডিয়ামত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি খেলুৱৈগৰাকীয়ে চতুৰ্থ প্ৰচেষ্টাত ৮ দশমিক ১-৫ মিটাৰ জঁপিয়াই বিজয় সাব্যস্ত কৰে। শৃংখলাৰ পৰৱৰ্তী খেল কাইলৈ উদয়পুৰত আৰু অহা সপ্তাহত চাংগ্ৰুৰ আৰু ৰাঁচীত অনুষ্ঠিত হ'ব।

0000

সমাপ্ত